বিষয়ে আলোচনা থাকে অৰ্থ-বিজ্ঞানত । শব্দ-মালাৰ ইতিহাস, বিকাশ, আৰু বৰ্ধনৰ আলোচনাক ব্যুৎপত্তি-শাস্ত্ৰ বোলে । কোশ-ৰচনাত কোনো এটা ভাষাত হ'ব পৰা অৰ্থযুক্ত আটাইবোৰ ধ্বনি-সংযোগৰ তালিকা থাকিব লাগে । তাত অকল যে নিজভাৱে অৰ্থযুক্ত ধ্বনি-সংযোগ আৰু তাৰ অৰ্থই থাকিব সেইটো নহয়, পূৰ্ণৰূপে অকলে অৰ্থ নথকা ধ্বনি সংযোগবোৰৰো অৰ্থসহ তালিকা থাকিব । সচৰাচৰ একোখন অভিধানত নিজভাৱে অৰ্থ থকা ধ্বনি সংযোগ বা শব্দবোৰৰ অৰ্থহে থাকে । উদাহৰণস্বৰূপে ফুলনি শব্দটো অসমীয়া অভিধানত থাকিব । কিন্তু ফুলনিখনৰ খন অংশৰ উল্লেখ নাথাকে । আদৰ্শ অভিধানত এইবোৰৰ উপৰি বলাঘাত, সুৰাঘাত, শব্দ-মালাৰ শ্ৰেণী-বিভাগ, যেনে, বিশেষ্য, বিশেষণ, সৰ্বনাম আদিৰ উল্লেখ থাকিব লাগে । ভাষা-অধ্যয়নৰ প্ৰণালী এইবোৰেই । এইবোৰৰ দ্বাৰা কৰা ভাষাৰ প্ৰণালীবদ্ধ আলোচনাই হৈছে ভাষা-বিজ্ঞান । ভাষা-বিজ্ঞানে কোনো এটা ভাষাৰ ভিতৰুৱা গঠন-প্ৰণালী বুজাত সহায় কৰে । আন বিজ্ঞানৰ নিচিনা ইয়াতো সুকীয়া পদ্ধতি অনুসৰণ কৰা হয় । ইয়াৰো সুকীয়া পৰিভাষা আছে ।

**৪১ ভাষা-বিজ্ঞানৰ শাখা :** প্ৰণালীবদ্ধ অধ্যয়নৰ পিনৰ পৰা ভাষা-বিজ্ঞানক প্ৰধানকৈ দুটা ভাগত ভগাব পাৰি ; বৰ্ণনাত্মক আৰু ঐতিহাসিক । এই দুটাৰ উপৰি আৰু এটা ভাগ আছে । তাক তুলনাত্মক ভাষা-বিজ্ঞান বোলে । কোনো ভাষাৰ কোনো এক সময়ৰ গঠনৰ প্ৰণালীবদ্ধ অধ্যয়নক বৰ্ণনাত্মক ভাষা-বিজ্ঞান বোলে । ইয়াত ভাষাটোৰ আগৰ ৰূপ নাইবা ভৱিষ্যতৰ দিক-নিৰ্ণয় আদিৰ বিষয়ে কোনো আলোচনা নাথাকে ; বৰ্ণনাত্মক ভাষাবিজ্ঞানীৰ ভাষা এটাৰ বিকাশটো দেখুৱা নাইবা ভাষাটোৰ আন ভাষাৰে সৈতে তুলনা কৰাও উদ্দেশ্য নহয় । কোনো এটা ভাষাৰ গঠন-প্ৰণালীটো দেখুৱাটোৱে তেওঁৰ উদ্দেশ্য । কোনো ভাষাৰ কথিত ৰূপৰ পৰাই এই গঠন-প্ৰণালী তৈয়াৰ কৰা হয় । ইয়াত আনকি অৰ্থ-বিজ্ঞানৰ বিচাৰৰ পৰাও বিৰত থকা হয় । কোনো এটা ভাষাৰ কোনো এক সময়ৰ অধ্যয়নক এককালিক ভাষা-বিজ্ঞান বুলিও কোৱা হয় । ইয়াৰ বিপৰীতে বহুকালিক অথৱা ঐতিহাসিক ভাষা-বিজ্ঞানে কোনো ভাষাৰ বিভিন্ন সময়ত হোৱা পৰিৱৰ্তনৰ বিষয়ে আলোচনা কৰে আৰু ভাষা এটাৰ প্ৰাৰম্ভিক স্তৰৰ নিদৰ্শন নোপোৱা অৱস্থাত তাৰ পুনৰ নিৰ্মাণো কৰি লয় । কোনো ভাষাৰ প্ৰাচীন ৰূপৰ পৰা অৰ্বাচীন ৰূপৰ বিকাশ কেনেদৰে হ'ল তাক দেখুৱাটো এই শাখাটোৰ উদ্দেশ্য । ভাষাৰ ঐতিহাসিক অধ্যয়নৰ লগত বৰ্ণনাত্মক অধ্যয়নো সোমাই পৰে ; কাৰণ ভাষাটোৰ বিকাশ দেখুৱাওঁতে ভাষাটোৰ বিভিন্ন স্তৰৰ অৱস্থিতিটো দেখুৱাবলগীয়া হয় । অৰ্থাৎ বৰ্ণনাত্মক ভাষা-বিজ্ঞান ঐতিহাসিক ভাষা-বিজ্ঞানৰ ভেটি-স্বৰূপ । দুটা বা তাতকৈ অধিক ভাষাৰ গঠন-প্ৰণালীৰ তুলনা দাঙি ধৰা আলোচনাক তুলনাত্মক ভাষা-বিজ্ঞান বোলে । ইয়াৰ কাৰণে প্ৰথমতে বিভিন্ন ভাষাৰ বৰ্ণনাত্মক ৰূপ পাব লাগিব । আন কথাত ক'বলৈ হ'লে বৰ্ণনাত্মক ভাষা-বিজ্ঞানৰ ওপৰত নিৰ্ভৰ কৰিছে ঐতিহাসিক আৰু তুলনাত্মক ভাষা-বিজ্ঞানে

[illegible] বাঢ়িব পাৰে। তুলনাত্মক ভাষা-বিজ্ঞানৰ জৰিয়তে বিভিন্ন ভাষাৰ পূৰ্ব ৰূপৰ নিৰূপণৰ দ্বাৰা ভাষাৰ পাৰিয়ালিক সম্পৰ্ক স্থাপন কৰিব পাৰি। ওঠৰ শতিকাত সংস্কৃত, গ্ৰীক, আৰু লেটিনৰ তুলনাত্মক আলোচনাৰ দ্বাৰা তিনিওটা ভাষা একে পৰিয়ালৰ বুলি সিদ্ধ হ'ল আৰু লাহে লাহে ভাৰতইউৰোপীয় ভাষা-পৰিয়াল সুগঠিত হৈ উঠিল। বৰ্ণনাত্মক ভাষা-বিজ্ঞানৰ সলনি কোনো কোনোৱে গঠনমূলক ভাষা-বিজ্ঞান শব্দটোও ব্যৱহাৰ কৰে। গঠনমূলক ভাষা -বিজ্ঞানৰো উদ্দেশ্য হৈছে কোনো এটা ভাষাৰ গঠন-প্ৰণালীটো দেখুৱা। ইয়াক বৰ্ণনাত্মক ভাষা-বিজ্ঞানৰ এটা বিশিষ্ট শাখা বুলিব পাৰি। এই শাখাটোৱে ভাষা এটাৰ সামূহিক ৰূপ বা পদ্ধতিৰ পৰিপ্ৰেক্ষাত আলোচনা কৰে। ভাষাবিজ্ঞানীয়ে কোনো এটা ভাষাৰ গঠন-পদ্ধতিৰ প্ৰণালীবদ্ধ আলোচনা কৰে আৰু সেইবোৰৰ সহায়েৰে যেতিয়া আন কাম যেনে, ভাষা শিকোৱা, অনুবাদ কৰা, অভিধান ৰচনা কৰা, উচ্চাৰণ নিৰ্ণয় আদি কৰা হয় তেতিয়া তাক প্ৰায়োগিক ভাষা-বিজ্ঞান বোলে। ভাষা-বিজ্ঞানৰ প্ৰয়োগ সামাজিক ব্যৱহাৰ আৰু মানুহৰ মানসিক ব্যৱহাৰ বুজিবলৈও কৰা হয়।

৪২ কোনো এটা ভাষাৰ ভাষাবৈজ্ঞানিক বৰ্ণনাই সেই ভাষাটোৰ ব্যাকৰণ। এই ব্যাকৰণ কেইবা প্ৰকাৰৰো হ'ব পাৰে। কোনো এটা ভাষাৰ কোনো এক সময়ৰ গঠন-পদ্ধতিৰ (সচৰাচৰ কথিত ভাষাৰ) তন্ন তন্ন বিচাৰৰ বিৱৰণক সেই ভাষাটোৰ বৰ্ণনাত্মক ব্যাকৰণ বোলে। কোনো এটা ভাষাই প্ৰচীন কালৰ পৰা বিভিন্ন স্তৰৰ মাজেদি বিকশিত হৈ কেনেকৈ বৰ্তমানৰ ৰূপটো পালেহি তাৰ বিৱৰণ হ'ল ভাষাটোৰ ঐতিহাসিক ব্যাকৰণ। কোনো এটা ভাষাৰ মূল উৎস আৰু তাৰ পৰিৱৰ্তিত আন আন ৰূপেৰে সৈতে থকা সম্বন্ধৰ বিচাৰযুক্ত বিৱৰণ হ'ল ভাষাটোৰ তুলনাত্মক ব্যাকৰণ। উদাহৰণস্বৰূপে অসমীয়া ভাষাৰ মূল উৎস সংস্কৃত আৰু তাৰ পৰিৱৰ্তিত ৰূপ পালি-প্ৰাকৃত আৰু তাৰো পৰিৱৰ্তিত আধুনিক ভাৰতীয় আৰ্য-ভাষা হিন্দী, বঙলা, মাৰাঠী আদি ভাষাৰে সৈতে সম্বন্ধৰ বিচাৰ কৰি ৰচনা কৰা ব্যাকৰণখন হ'ব অসমীয়াৰ তুলনাত্মক ব্যাকৰণ। কোনো দুটা ভাষাৰ প্ৰথমতে বৰ্ণনাত্মক ব্যাকৰণ ৰচনা কৰি পিছত ভাষাদুটাৰ মাজত থকা বিপৰীত বৈশিষ্ট্যবোৰৰ বিৱৰণসূচক ব্যাকৰণখনৰ নাম বিৰোধী ব্যাকৰণ। এনে ব্যাকৰণৰ দ্বাৰা এটা দ্বিতীয় ভাষা বা বিদেশী ভাষা শিকোৱাত সুবিধা হয়। ভাষা এটাৰ বাক্যবোৰলৈ লক্ষ্য কৰিলে দেখা যায় যে কিছুমান বাক্য কিছুমান মূল-বাক্যৰ পৰা কিছু পৰিৱৰ্তিত ৰূপ লৈ হৈছে; যেনে ইংৰাজীত এটা মূল-বাক্য হ'ল *He is going.* এই বাক্যটোক *Is he going ? He is not going.* এই দুটা বাক্যত পৰিণত কৰিব পাৰি। তেনেকৈ *I know* এই বাক্যটোক *Do I know ? I do not know.* এনেদৰে ব্যৱহাৰ কৰিব পাৰি। অসমীয়াত মই জানো। এই বাক্যটোৰ পৰা মই জানো নে ? মই নাজানো। মই নাজানো নে ? আদি বাক্য সজাব পাৰি। কেতিয়াবা কেইবাটাও বাক্যক এটা বাক্যত সাঙুৰিব পৰা যায়। ৰাম ভাল ল'ৰা। ৰাম বুধিয়ক

ল'ৰা। বাম উৎসাহী ল'ৰা। এই বাক্যকেইটাক ৰাম ভাল, বুধিয়ক, আৰু উৎসাহী ল'ৰা, বুলি ক'ব পাৰি। ওপৰত উল্লেখ কৰা ধৰণৰ আৰু আন যি কোনো ধৰণৰ পৰিৱৰ্তনৰ ধাৰাৰ পদ্ধতি দেখুৱাই ৰচনা কৰা ব্যাকৰণক ৰূপান্তৰণাত্মক উৎপাদক ব্যাকৰণ বোলে।

৪৩ কোনো এটা ভাষাৰ কথিত ৰূপৰ পৰা ভাষাটোৰ গঠন-পদ্ধতিটো উলিয়াই বৰ্ণনা কৰা বৰ্ণনাত্মক ভাষা-বিজ্ঞানৰ প্ৰধান কাম। কোনো এটা ভাষাৰ লিখিত সাহিত্য থাকিবও পাৰে। লিখিত ভাষাৰ গঠন-পদ্ধতিও কথিত ভাষাৰ ওপৰত ভিত্তি কৰিহে হয়। গতিকে ভাষাএটাৰ গঠন-পদ্ধতি-নিৰ্ণয়ত ভাষাটোৰ কথিত ৰূপৰ বিশ্লেষণ অপৰিহাৰ্য হৈ উঠে। এটা ভাষাৰ কথিত ৰূপৰ পৰা ভাষাটোৰ গঠন-পদ্ধতি নিৰ্ণয় কৰিবলৈ হ'লে প্ৰথমতে ধ্বনি-বিজ্ঞান, বিশিষ্ট ধ্বনি-বিজ্ঞান, ৰূপ-বিজ্ঞান, বাক্যবিন্যাস-বিজ্ঞান আদিৰ ভাল জ্ঞান থকা এজন ভাষাবিজ্ঞানীৰ আৱশ্যক। তাৰ পাছত আৱশ্যক হৈছে যিটো কথিত ভাষাৰ বিৱৰণ পাবলৈ বিচৰা হয় সেই ভাষাটোৰ বিষয়ে জনা, সেই ভাষাটো সদায় কৈ থকা এজন লোক। তেওঁক তথ্য দাতা বা সূচক বুলি কোৱা হয়। ভাষা-বিজ্ঞানীয়ে তেওঁ বিশ্লেষণ কৰিব খোজা ভাষাটো কোৱা ঠাইলৈ গৈ এজন তথ্য দাতা বা সূচকক বাচি ল'ব পাৰে নাইবা ভাষাটো কোৱা ঠাইৰ সূচক এজন ভাষাবিজ্ঞানীয়ে তেওঁৰ ঠাইলৈ নিও ভাষাটোৰ বিষয়ে অনুসন্ধান কৰিব পাৰে। এই ক্ষেত্ৰত প্ৰথমৰ ব্যৱস্থাটোৱে বেছি উপযুক্ত। সূচক বাছি লওঁতেও আন কিছুমান কথাৰ ওপৰত লক্ষ্য ৰাখিব লাগিব। সাধাৰণতে সূচকজন সোতৰ-ওঠৰ বছৰৰ হ'লে ভাল। কোনো কোনোৱে পঁয়ত্ৰিছ বছৰৰ ওচৰৰ বয়সৰ হ'লে বেছি ভাল বুলি কয়। বয়সৰ কথাৰ উপৰিও সূচকজন বুধিয়ক আৰু গম্ভীৰ প্ৰকৃতিৰ হ'ব লাগে। তেওঁ নিজৰ ঠাই এৰি আন ঠাইত বেছি ঘূৰি ফুৰা লোক হ'ব নালাগে। পঢ়ালেখাজনা সূচক পালে একো বেয়া নহয়। স্ত্ৰী আৰু পুৰুষৰ ভিতৰত পুৰুষ-সূচক বেছি ভাল। কিন্তু কোনো এটা ভাষাৰ আছল ৰূপ স্ত্ৰীসকলেহে সংৰক্ষণ কৰে বাবে সুবিধা অনুযায়ী পুৰুষ-স্ত্ৰী দুজনৰ পৰা ভাষাটোৰ সামগ্ৰী ল'ব পাৰি। তেনেদৰে প্ৰথমতে এজন সূচকৰ পৰা লোৱা কথাবোৰক আন দুই-তিনিজন সূচকেৰে সৈতে পুনৰ পৰীক্ষা কৰি চোৱাটোও ভাল। ইফালে সূচকজন এজন স্বাভাৱিক লোক হ'ব লাগে। তেওঁ ভাষাটোৰ ধ্বনি-উচ্চাৰণৰ বাবে দৰকাৰি হোৱা শাৰীৰিক অঙ্গ-প্ৰত্যঙ্গবোৰৰ কোনো ক্ষেত্ৰত ত্ৰুটি নথকা হ'ব লাগে। সূচকৰ বিভিন্ন গুণৰ আৱশ্যকতাৰ দৰে ভাষাবিজ্ঞানীজনো কিছুমান গুণৰ অধিকাৰী হোৱা দৰকাৰ। তেওঁ অতি সোনকালে অপৰিচিতজনক পৰিচিত আৰু পৰিচিতজনক বন্ধুৰ নিচিনা কৰি ল'ব পৰা বিধৰ লোক হ'ব লাগে। যিটো ভাষাৰ বিশ্লেষণ কৰিবলৈ তেওঁ গৈছে সেই ভাষা-কোৱা লোকসকলৰ ভূগোল, ইতিহাস, সংস্কৃতি, সভ্যতা আদিৰ সমুচিত জ্ঞান থকা হ'ব লাগে। তেওঁ সূচকজনৰ মনোভাৱ বুজি কাম কৰিব পৰা হ'ব লাগিব। কোনো কথা সুধিলে সূচকৰ মনত বিৰক্তিৰ ভাৱ যাতে উদয় নহয় তালৈ তেওঁ লক্ষ্য ৰাখিব লাগিব। সূচকৰ পৰা ভাষাটোৰ বিষয়ে সামগ্ৰী গোটাওঁতে তেওঁ ধ্বনি-লিপিহে ব্যৱহাৰ কৰিব লাগিব।

কৰিব পাৰিলে ভাল। কোনো অঞ্চলত যদি বেলেগ বেলেগ স্তৰৰ ভাষাৰ পাৰ্থক্য থকাৰ ...ম পোৱা যায় তেন্তেহ'লে তাত দুটাতকৈ অধিক সূচকৰ পৰাও তথ্য গ্ৰহণ কৰিব পাৰি। যেতিয়া কোনো এঠাইৰ ভাষাৰ কোনো এটা আঞ্চলিক ৰূপৰ বিভিন্ন পাৰ্থক্যৰ অৱস্থিতি, প্ৰকাৰ, আৰু বিস্তৃতিৰ অধ্যয়ন কৰা হয় তেতিয়া তাক উপভাষা-ভূগোল আৰু সমগ্ৰ ভাষাটোৰ তেনে অধ্যয়নক ভাষা-ভূগোল বুলিব। কেতিয়াবা কোনো এটা বা অধিক শব্দৰ কোনো এক ভাষা-কোৱা ঠাইৰ বিভিন্ন অঞ্চলত ভিন্ন অৰ্থত আৰু ভিন্ন উচ্চাৰণত ব্যৱহাৰ হোৱা দেখা যায়। শব্দৰ এনে অৱস্থিতি আৰু বিস্তৃতিৰ অধ্যয়নক শব্দ-ভূগোল নাম দিয়া হৈছে। কোনো এটা ভাষাৰ ভৌগোলিক অধ্যয়নৰ পৰা আন এটা কথা স্পষ্ট হৈ উঠে। ভাষা এটাৰ কিছুমান শব্দ, ধ্বনি, বা ৰূপ গঠনৰ প্ৰতি লক্ষ্য কৰিলে দেখা যায় যে কোনো এক অঞ্চলত সেই শব্দ, ধ্বনি বা ৰূপ-গঠনৰ পদ্ধতি সকলো ঠাইতে একে। সেই অঞ্চলটো অতিক্ৰম কৰিলে প্ৰথমৰ অঞ্চলৰ শব্দ বা ধ্বনি বা ৰূপ-গঠন-পদ্ধতিৰ লগত আন কিছুমান শব্দ বা ধ্বনি বা ৰূপ গঠনৰ-পদ্ধতিও মিশ্ৰিত হৈ থকা দেখা যায়। এয়ে হ'ল দ্বিতীয় অঞ্চল। অনুসন্ধান কৰি গ'লে আকৌ এনে অঞ্চলো পোৱা যায় য'ত দ্বিতীয় অঞ্চলত প্ৰথম অঞ্চলৰ শব্দ, ধ্বনি বা ৰূপ-গঠন-পদ্ধতিৰ প্ৰতিদ্বন্দ্বীহিচাপে থকা শব্দ ধ্বনি বা ৰূপ-গঠন-পদ্ধতিবোৰহে সংৰক্ষিত হৈছে। এয়া তৃতীয় অঞ্চল। প্ৰথম অঞ্চলক কেন্দ্ৰী ক্ষেত্ৰ, দ্বিতীয় অঞ্চলক ক্ৰমভুক্ত ক্ষেত্ৰ আৰু তৃতীয় অঞ্চলক পাৰ্শ্ববৰ্তী বা অৱশিষ্ট ক্ষেত্ৰ বোলে। ইয়াৰ দ্বাৰা এইটো প্ৰমাণিত হয় যে ভাষাৰ কোনো এটা অঙ্গ (সি ধ্বনি, ৰূপ-ৰচনা বা শব্দৰ অৰ্থ যিয়েই নহওক লাগে) কোনো এক অঞ্চলৰ পৰা আন অঞ্চললৈ গতি কৰে। আনভাৱে ক'বলৈ হ'লে এটা অঞ্চলৰ ভাষা আন এটা অঞ্চলত বিয়পি পৰে। এটা অঞ্চলৰ ভাষা আন এটা অঞ্চলত বিয়পাৰ প্ৰধান কাৰণ হ'ল মূল-অঞ্চলটোৰ ভাষাৰ মৰ্যাদা। ভাষা-ভূগোলৰ সহায়ত কোনো ভাষা, উপভাষা বা মান্য-ভাষাৰ গতি-পথ নিৰ্ণয় কৰিব পাৰি। কোনো এটা ভাষাৰ ধ্বনি, ৰূপ বা শব্দবোৰৰ ইতিহাসৰ বৰ্ণনাতো ই সহায় কৰে। তদুপৰি কোনো এটা ভাষাৰ বৰ্তমানৰ সমগ্ৰ ৰূপ এটাও ই দাঙি ধৰে।

৪৫ দুটা বা অধিক ভাষাৰ মাজত ধ্বনি, ৰূপ-ৰচনা, বাক্য-গঠন-পদ্ধতি, শব্দ-ভাণ্ডাৰ আদি বিভিন্ন দিশত সাদৃশ্য দেখা গ'লে সেই সেই ভাষাবোৰক সম্বন্ধিত ভাষা বুলি ধাৰণা কৰিব পাৰি। সম্বন্ধিত ভাষাৰ নিৰ্ণয়ত আন কিছুমান কথাও লক্ষ্য কৰিব লাগিব (দ্ৰঃ পাৰিবাৰিক বৰ্গীকৰণ)। সম্পৰ্ক থকা যেন বোধ হোৱা ভাষাবোৰৰ যদি প্ৰচীন ৰূপৰ নিদৰ্শন পোৱা যায় তেনেহ'লে তাৰ সহায়ত আৰু ভাষাবোৰৰ মাজত ভিন্নতাৰ পদ্ধতিৰ সহায়ত সেই ভাষাবোৰৰ পূৰ্ব-ৰূপ একোটা নিৰ্ধাৰণ কৰিব পাৰি। এইদৰে গৈ গৈ এটা মাত্ৰ আদি-মূলৰ ভাষাৰ ওচৰ চাপিব পাৰি। কোনো দুটা ভাষা যদি এটা মূল-ভাষাৰ পৰিণতি ৰূপে হোৱা বুলি জনা যায় তেনেহ'লে মূল-ভাষাটোক মূল-ভাষা বা পিতৃ-ভাষা বোলে। মূল-ভাষাৰ

পৰিণতিস্বৰূপে হোৱা ভাষাবোৰক দুহিতৃ-ভাষা আৰু পৰিণত ভাষাবোৰ পৰস্পৰে ভগিনী ভাষা। পিতৃ-ভাষা আৰু দুহিতৃ-ভাষাবোৰ লগ লাগি একেটা ভাষা পৰিয়ালত পৰিণত হয়। ভাষাবোৰৰ এনে সম্বন্ধক জন্মগত সম্বন্ধ বোলে। ভগিনী-ভাষাবোৰৰ তুলনাৰ দ্বাৰা মূল-ভাষাৰ পুনৰনিৰ্মাণ কৌশলৰ নাম তুলনাত্মক পদ্ধতি। পুনৰনিৰ্মাণ ভাষাৰ সকলো অঙ্গৰ ক্ষেত্ৰত হ'ব পাৰে। ধ্বনিগত পুনৰনিৰ্মাণৰ ক্ষেত্ৰত সম্বন্ধিত ভাষাবোৰৰ ধ্বনি আৰু অৰ্থৰ সামঞ্জস্য থকা শব্দ কিছুমান লোৱা হয়। সেইবোৰৰ এটা ভাষাত য'ত য'ত ক-ধ্বনি আছে আন এটা ভাষাটো সেই সেই ঠাইত যদি ক-ধ্বনিকে পোৱা যায়, তেনেহ'লে মূল ধ্বনি ভাষাটোতো ক-ধ্বনিয়ে আছিল বুলি ধৰিব লাগিব। যদি একে সম্বন্ধৰ আন ভাষাতো ক-ধ্বনিয়ে পোৱা যায় তেতিয়াহ'লে মূল-ভাষাত ক-ধ্বনিয়ে আছিল বুলি নিশ্চয়কৈ ক'ব পৰা যায়। উদাহৰণস্বৰূপে সংস্কৃত নব, লেটিন নোবেম, গোথিক নিউন, ইংৰাজী নাইন আদি শব্দৰ আধাৰত মূলভাৰতইউৰোপীয় ভাষাত ন-ধ্বনিৰ অৱস্থিতিৰ অনুমান কৰা হৈছে আৰু আন আন শব্দৰ ধ্বনিপৰিৱৰ্তনৰ ধাৰাৰ অধ্যয়নৰ দ্বাৰা এই আটাইবোৰ শব্দৰ মূল *newn- ৰূপে পুনৰনিৰ্মাণ কৰা হৈছে। কেতিয়াবা একেটা ধ্বনিকে কিছুমান ভাষাত এটা আৰু দুই-এটা ভাষাত আন এটা ৰূপত পালে আটাইবোৰ ভাষাৰ ধ্বনিবোৰৰ পৰিৱৰ্তনৰ ধাৰা অনুযায়ী মূল ভাষাৰ ধ্বনিৰ পুনৰনিৰ্মাণ কৰিব লাগিব। উদাহৰণস্বৰূপে লেটিন ছেপ্তেম, গোথিক ছিবুন, সংস্কৃত সপ্ত, গ্ৰীক হপ্ত আদিৰ আধাৰত ছেপ্তম শব্দৰ পুনৰ নিৰ্মাণ কৰা হৈছে। বিভিন্ন ভাষাৰ তুলনাত্মক অধ্যয়নৰ দ্বাৰা কৰা পুনৰনিৰ্মাণক বাহ্য পুনৰনিৰ্মাণৰূপে জনা যায়। একেটা ভাষাতে তুলনাত্মক পদ্ধতিৰ সহায়ত প্ৰাচীন ধ্বনি বা ৰূপৰ নিৰ্মাণৰ নাম আভ্যন্তৰ পুনৰনিৰ্মাণ। উদাহৰণস্বৰূপে সংস্কৃতৰ জীৱন্ত-শব্দৰ পৰা কামৰূপী উপভাষাত হোৱা জীয়াত, জীয়ত শব্দৰ সাদৃশ্যত * মৰত-শব্দৰ সৃষ্টি আৰু তাৰ পৰা মানা ভাষাত হোৱা মৰতী-শব্দৰ কথাই ক'ব পাৰি ; পুনৰনিৰ্মিত ধ্বনি বা ৰূপ বা শব্দ। আৰম্ভণত তাৰকা চিহ্ন দিয়া হয়। তুলনাত্মক পদ্ধতিয়ে দুটা বা অধিক ভাষাৰ মাজত সম্বন্ধ দেখুৱাত আমাক সহায় কৰে।

৪৬ তুলনাত্মক পদ্ধতি আৰু পুনৰনিৰ্মাণৰ কৌশলৰ পৰা ভাষাৰ যে সময়ত পৰিৱৰ্তন ঘটে সেই কথাটো স্পষ্টকৈ বুজিব পাৰি। ভাষাৰ অকল পৰিৱৰ্তনেই নহয়, সময়ত ভাষাএটাৰ শব্দ কিছুমানো লোপ পায়। শব্দ লোপ পোৱাৰ এটা কাৰণ হ'ল সাংস্কৃতিক পৰিৱৰ্তন। অৱশ্যে আন কাৰণো আছে (§১৯২)। কোনো এটা ভাষাৰ সময়ত শব্দ-মালাৰ বিশেষকৈ মৌলিক শব্দবোৰ কেনে গতিত লোপ পায় সেই বিষয়ে গৱেষণাৰ ফলত দেখা গৈছে যে এহেজাৰ বছৰত ভাষা এটাৰ মৌলিক শব্দ-মালাৰ শতকৰা উনৈছটা শব্দ লোপ পায়। যদি কোনো দুটা ভাষাৰ এটা আনটোৰ পৰা পৃথক হোৱাৰ এহেজাৰ বছৰ হৈছে তেনেহ'লে সেই ভাষাদুটাৰ একে হৈ থকা অৱস্থাত পোৱা মৌলিক শব্দ-মালাৰ ভিতৰত প্ৰত্যেকে শতকৰা উনৈশটা শব্দ হেৰুৱাব আৰু প্ৰত্যেকটো ভাষাই প্ৰথমৰ শব্দ-ভাণ্ডাৰৰ শতকৰা একাশীটাহে

সংৰক্ষণ কৰিব। আন একধৰণেও দুটা ভাষাৰ পৃথকীকৰণৰ সময় নিৰ্ণয় কৰিব পাৰি। দুটা ভাষাৰ মৌলিক শব্দ-মালাৰ ভিতৰত শতকৰা ৯৬ টা সজাতীয় শব্দ হ'লে ভাষাদুটা ভিন্ন হোৱাৰ এহেজাৰ বছৰ হৈছে বুলি ধৰিব লাগে আৰু যদি শতকৰা ৪৪ টা শব্দহে সজাতীয় শব্দ তেতিয়াহ'লে ভাষাদুটা ভিন্ন হোৱাৰ দুহেজাৰ বছৰ হোৱা বুলি ধৰিব পাৰি। (জন্মগত ভাৱে সম্বন্ধ থকা শব্দবোৰৰ প্ৰত্যেককে সজাতীয় শব্দ বুলি কোৱা হয়। উদাহৰণস্বৰূপে একেটা মূল-ভাষাৰ পৰা ওলোৱা ভাষাচাৰিটাৰ যদি প্ৰত্যেকতে গছ-বুজোৱা শব্দকেইটা পুসা, বুগা, আৰু পুক্ হয় তেতিয়া সিহঁতক সজাতীয় শব্দ বুলি জনা যাব)। ভাষাৰ শব্দ-মালাৰ লোপৰ ওপৰত নিৰ্ভৰ কৰি ভাষাৰ পৃথকীকৰণৰ পদ্ধতিৰ নাম ভাষা-কাল-ক্ৰম-বিজ্ঞান। ভাষা-বিজ্ঞানৰ এই শাখাটো বৰ্তমানত চালুকীয়া অৱস্থাতে আছে। তথাপি ইয়াৰ সহায়ত দুটা ভাষাৰ মাজত সম্বন্ধ কিমানখিনি বুজাত সুবিধা হয়।

৪৭ **ভূ-ভাষা-বিজ্ঞান ঃ** ইয়াত ভাষাৰ ব্যৱহাৰিক মূল্যৰ ওপৰত গুৰুত্ব দিয়া হয়। ইয়াক ভাষা-বিজ্ঞানৰ বৌদ্ধিক দিশৰ ব্যৱহাৰিক ফাল বুলিও ক'ব পাৰি। পদাৰ্থ-বিজ্ঞানৰ সূত্ৰবোৰৰ ব্যৱহাৰিক ফালটোৱে যিদৰে বল-বিজ্ঞানৰ সৃষ্টি কৰিছে ভাষা-বিজ্ঞানৰ সূত্ৰবোৰৰ প্ৰয়োগৰ দিশটোৱে তেনেকৈ ভূ-ভাষা-বিজ্ঞানৰ জন্ম দিছে। কোনো ভৌগোলিক পৰিৱেষ্টনৰ স্থানীয় ভাষা, ঔপনিৱেশিক ভাষা, প্ৰথমটোৰ ওপৰত দ্বিতীয়টোৰ প্ৰভাৱ, কোনো ঠাইৰ মুখ্য ভাষা আৰু গৌণ ভাষা, দ্বিভাষিতা বা বহুভাষিতা, কোনো এটা ভাষাৰ সলনি আন এটাৰ প্ৰয়োগ, ভগনীয়াসকলৰ ভাষা, স্থানীয় ভাষাৰে সৈতে তাৰ সম্পৰ্ক, মিশ্ৰিত ভাষা, ভাষাৰ সামাজিক আৰু সাংস্কৃতিক স্বীকৃতি, সাহিত্যিক ভাষা, ৰাজ্য-ভাষা, ৰাষ্ট্ৰভাষা, উপভাষা, বৰ্গ-ভাষা আদি ভাষাৰ সকলো ব্যৱহাৰিক ফালক লৈ ভূ-ভাষা-বিজ্ঞানে কাম কৰে।

৪৮ ভাষাৰ বিশ্লেষণ আৰু অধ্যয়নৰ সহায়ত প্ৰাক্-ঐতিহাসিক যুগৰ সমাজ এখনৰ ছবিও আমাৰ সন্মুখত উপস্থিত কৰাৰ সুবিধা আছে। ইয়াৰ কাৰণে প্ৰথমতে কোনো এটা ভাষাৰ প্ৰচীন শব্দবোৰ লোৱা হয়। তাৰ পাছত সেই ভাষা-পৰিয়ালৰ আন ভাষাবোৰৰ পৰাও প্ৰচীন শব্দবোৰ লৈ সেইবোৰক বিভিন্ন শিতানত ভাগ কৰি (সামাজিক, ধাৰ্মিক, আৰ্থিক আদি) প্ৰচীনতম কালত থকা সমাজখনৰ আভাস দাঙি ধৰা হয়। বিভিন্ন জীৱ-জন্তুৰ নামৰ বিশ্লেষণৰ দ্বাৰা প্ৰচীনতম কালত কি কি জীৱ-জন্তু আছিল তাৰ উমান পাব পাৰি। ক্ৰিয়া-শব্দৰ ব্যৱহাৰৰ পৰা সামাজিক জীৱনৰ বিষয়ে বহু কথা জানিব পাৰি। প্ৰকৃতিৰ পৰ্বত, নদী, জীৱ-জন্তু, গছ-গছনি, ঋতু আদিক বুজোৱা শব্দবোৰৰ অধ্যয়নৰ পৰা সেই সমাজৰ লোকবোৰ পৃথিৱীৰ কোন ঠাইত বাস কৰিছিল তাৰো অনুমান কৰিব পাৰি। ভাষাৰ জৰিয়তে প্ৰচীন সমাজৰ অনুসন্ধান ভাষা-বিজ্ঞানৰ এটা অঙ্গত পৰিণত হৈছে। এনে অধ্যয়নৰ নাম ভাষাগত পুৰা-প্ৰাণী-বিজ্ঞান। এনে ধৰণৰ অনুসন্ধান ভাৰতইউৰোপীয় ভাষা-পৰিয়ালৰ ক্ষেত্ৰত চলোৱা হৈছিল আৰু তাৰ দ্বাৰা আৰ্যসকলৰ বাস-স্থান মধ্য এছিয়া বুলি কিছুমান পণ্ডিতে সিদ্ধান্ত

লৈছে। ভাষাগত পুৰা-প্ৰাণী বিজ্ঞানত ভূ-গৰ্ভ-বিদ্যা, ভূগোল, পুৰা-তত্ত্ব আদিৰ পৰাও সহায় লোৱা হয়।

**৪৯ সমাজ-ভাষা-বিজ্ঞান ঃ** এইটো ভাষা-বিজ্ঞানৰ আন এটা দিশ। ভাষা মূলতঃ সামাজিক বস্তু। ব্যক্তিয়ে সমাজত ভাষা এটা শিকে আৰু সমাজতে তাক ব্যৱহাৰ কৰে। কোনো এখন সমাজৰ বিষয়ে সেই ঠাইত ব্যৱহাৰ কৰা ভাষাৰ জৰিয়তে বহুত কথা জানিব পাৰি। এখন সমাজৰ সকলো মানুহ সমান নহয়। তাৰ কোনো এজন ধনী, কোনো দুখীয়া, কোনো শিক্ষিত, কোনো অশিক্ষিত, কোনো উচ্চ বৰ্গৰ, আৰু কোনো নিম্ন বৰ্গৰ। এখন সমাজত বিভিন্ন ব্যৱসায়ৰ বিভিন্ন ধৰ্মৰ, বিভিন্ন বৰ্গৰ লোক বাস কৰে। সমাজখনত মতা আৰু মাইকী এইদুটা ভাগো আছে। এখন সমাজত কোনো এটা ভাষাৰ যেতিয়া ব্যৱহাৰ হৈ থাকে, তেতিয়া এই বিভিন্ন ধৰণৰ মানুহৰ ক্ষেত্ৰত ভাষাটোৰ কিছুমান সুকীয়া বৈশিষ্ট্য পোৱা যায়। সেইবোৰ ধ্বনি, ৰূপ ৰচনা, বাক্য, ৰচনা, শব্দৰ ব্যৱহাৰ, প্ৰবাদ বচন, জতুৱা ঠাঁচ আদিৰ ক্ষেত্ৰত দেখা যায়। ভাষাৰ জ্ঞান-থকা কোনো এজন লোকে আন এজন অপৰিচিত লোকক লগ পালে তেওঁ ব্যৱহাৰ কৰা ভাষাৰ এই বিভিন্ন দিশৰ পৰা মানুহজনৰ বিষয়ে এটা স্পষ্ট ধাৰণা কৰি ল'বলৈ সক্ষম হয়। কোনো এঠাইৰ ভাষাৰ মাধ্যমেৰে সেই ঠাইৰ মানুহৰ আদৰ্শ, সংস্কাৰ, আন মানুহৰ প্ৰতি সেই ঠাইৰ মানুহৰ মনোভাৱ আদি বহু কথাৰ সম্ভেদ পোৱা যায়। ভাষাৰ মাধ্যমেৰে কোনো এখন ঠাইৰ সামাজিক আদৰ্শ এসময়ত কেনে আছিল তাকো বুজিব পাৰি। এদিনাখন ভাৰতবৰ্ষত ৰজা-মহাৰজাসকলক জহাঁপনাঃ, অন্নদাতা, গৰীবপৰৱৰ আদি শব্দেৰে সম্বোধন কৰা হৈছিল। অসমতো স্বৰ্গদেউ, ৰাজমাও দেউতা আদি শব্দৰ ব্যৱহাৰ চলিছিল। এসময়ত অসমীয়া নাটকত কোনো স্ত্ৰীয়ে তেওঁৰ স্বামীক সম্বোধন কৰি কথা ক'বলৈ হ'লে 'নাথ' শব্দ ব্যৱহাৰ কৰিছিল। অসমৰ বৈষ্ণৱ সমাজত ব্যৱহাৰ হোৱা ভকতীয়া ঠাচৰ কথাও এই ক্ষেত্ৰত মন কৰিবলগীয়া। এইবোৰে সমাজত ৰজা, গুৰু, স্বামী আদিক এসময়ত কেনে চকুৰে চোৱা হৈছিল তাৰ আভাস দাঙি ধৰে। সমাজৰ কোনো এক সম্প্ৰদায়ৰ লোকৰ আন সম্প্ৰদায়ৰ প্ৰতি মনোভাৱ কেনেকুৱা আছিল ভাষাত ব্যৱহাৰ হোৱা অনেক বচন- প্ৰৱচনৰ পৰা বুজিব পাৰি। উপভাষাৰ সৃষ্টি আৰু কোনো এঠাইৰ উপভাষা এটাই মান্যভাষাৰূপে স্বীকৃতি পোৱাৰ গুৰিতো সামাজিক পৰিস্থিতি। সমাজ-ভাষা-বিজ্ঞানে এইদৰে কোনো এখন সমাজত ব্যৱহাৰ হোৱা ভাষাৰ সহায়ত সেই সমাজখনৰ বিষয়ে জনাৰ সুবিধা দিয়ে। কোনো এখন ঠাইৰ ভাষা এটা সমৰূপী নহয় বিষমৰূপীহে। কোনো এটা ভাষাৰ বিষমৰূপবোৰেৰে সৈতে সামাজিক স্থিতি জড়িত হৈ আছে। সমাজৰ পৰিপ্ৰেক্ষাত কৰা ভাষাৰ বৈজ্ঞানিক অধ্যয়নো সমাজ-ভাষা-বিজ্ঞানৰ ভিতৰত পৰে।

**৫০ ভাষা-তত্ত্ব আৰু ভাষা-বিজ্ঞান ঃ** যিজনে ভাষাক প্ৰণালীবদ্ধভাবে অধ্যয়ন কৰি আলোচনা কৰে তেওঁক ভাষাবিজ্ঞানী বোলা হয়। এইখিনিতে ভাষাতাত্ত্বিক শব্দটোৰে সৈতে ভাষাবিজ্ঞানীৰ নাইবা ভাষাতত্ত্বৰে সৈতে ভাষা-বিজ্ঞানৰ সম্বন্ধ খিনি বিচাৰ কৰিবলগীয়া। ভাষাতাত্ত্বিকে সাধাৰণতে কোনো পুথি বা শিলা-লিপিৰ বিৱিধ পাঠান্তৰ আলোচনা কৰি এটা শুদ্ধ আৰু পূৰ্ণ ৰূপ নিৰ্ণয় কৰে।[২৬] তাকে কৰিবলৈ তেওঁ অৱশ্যে ভাষাৰ মাজেদি যাবলগীয়া হয়। তদুপৰি তেওঁ কোনো এটা ভাষাৰ বিষয়ে আলোচনা কৰাতকৈ সাংস্কৃতিক তাৎপৰ্য আৰু সাংস্কৃতিক পটভূমিক লৈ বেছি ব্যস্ত থাকে।[২৭] ভাষাতাত্ত্বিকে ভাষাৰ লিখিত ৰূপৰ অধ্যয়ন কৰে। ভাষা বিজ্ঞানীয়ে হ'লে লিখিত ৰূপ বা সাহিত্য-থকা ভাষাৰ যিধৰণে অধ্যয়ন কৰে সাহিত্য-নথকা ভাষাকো একেধৰণে অধ্যয়ন কৰে। ভাষাতাত্ত্বিকে ভাষাক কোনো দেশৰ সাংস্কৃতিক অঙ্গহিছাপে চায় ঃ কিন্তু ভাষাবিজ্ঞানীয়ে তাক নৈসৰ্গিক বস্তুহিছাপে গ্ৰহণ কৰে।[২৮] কোনো এটা ভাষাৰ গঠন-প্ৰণালীটো দেখুৱাই ভাষাটোৰ বৈশিষ্ট্যখিনি দৃষ্টি-গোচৰ কৰোৱাত বাহিৰে ভাষাবিজ্ঞানীৰ আন উদ্দেশ্য নাথাকে। ভাষাবিজ্ঞানীক বহুভাষীৰ লগতো সাঙুৰিব নালাগে। বহুভাষীয়ে কেবাটাও ভাষা ক'ব পাৰে। কিন্তু তেওঁ কোনো ভাষাৰে গঠন-প্ৰণালী সম্পৰ্কে আলোচনা নকৰে। কেইবাটাও ভাষা জানিলে ভাষাবিজ্ঞানী হ'ব নোৱাৰি। কোনো ভাষাৰ গঠন-পদ্ধতিৰ প্ৰণালীবদ্ধ আলোচনা দাঙি ধৰাজনহে ভাষাবিজ্ঞানী।

ভাষা কোৱা লোকসকলৰ
মানুহৰ সকলো মনোভা
মনোভাৱৰ পৰাই জন্ম

৫২ দৰাছলতে কো
ভাষা আয়ত্ত কৰা ক্ষম
জাতিৰ লোকৰ দুটা
তেনেহ'লে পৰিৱেশ
থকাটো সেই ভাষাট
নিগ্ৰোবোৰৰ মাজত
কেঁচুৱাবোৰৰ নিচিন
হোৱা অৱস্থাত
জাপানীটোৱেও
জাপানত ডাঙৰ-দী
যে ভাষাৰ কোনে
পৰিৱেশৰ অধীন